
# চয়তানক ৰোধ কৰিবলৈ যীচুৰ দৰে বাইবেল ব্যৱহাৰ কৰক
# ল'ৰা-ছোৱালীবিলাকক বাইবেল অধ্যয়ন কৰিববলৈ শিকাওক।

ল'ৰা-ছোৱালীবিলাকৰ বয়স আৰু প্ৰয়োজন অনুসৰি কামবোৰ বাছি লওক।

**প্ৰাৰ্থনা ঃ** "মৰমিয়াল প্ৰভু, এই অধ্যয়নৰ যোগেদি যেন ল'ৰা-ছোৱালীবিলাকে আপোনাৰ বাক্য মানি চলিবলৈ আৰু পথৰ  দ্বীপ্তি স্বৰূপে ব্যৱহাৰ কৰিবলৈ সহজ হ'ব এনে অনুগ্ৰহ দান কৰক!



**প্ৰাচীন মাটিৰ চাকি**



**কেৰাচিন লেম্প**

যীচুৱে চয়তানৰ  দ্বাৰাই পৰীক্ষিত হোৱাৰ বিষয়ে যি কাহিনী আছে সেই কাহিনীটো শিকাবৰ বাবে  মথি ৪ঃ১-১১ পদলৈকে পঢ়ি যুগুত হওঁক। এই ঘটনাই আমি কেনেকৈ ঈশ্বৰৰ ইচ্ছা মানি চলিব লাগে আৰু শত্ৰুৰ প্ৰলোভনক প্ৰত্যুত্তৰ দিব লাগে তাকে বুজাইছে। এদল ডাঙৰ ল'ৰা বা ছোৱালীক যীচুৱে চয়তানক ৰোধ কৰাৰ বিষয়ে পাঠ কৰি দিবলৈ বা মুখস্থ কৰিবলৈ প্ৰশিক্ষণ দিয়ক।

কাহিনীটো কৈ দিয়াৰ পিচত, এই প্ৰশ্নকেইটা কৰক। *(প্ৰত্যেকটো প্ৰশ্নৰ পিচতেই উত্তৰ দিয়া আছে)*

- যীচুৰ কিয় ইমানকৈ ভোক লাগিছিল? *(২ পদ চাওক)*
- চয়তানে কোন তিনিটা উপায়েৰে যীচুক পৰীক্ষা কৰিছিল? *(৩,৬ আৰু ৯পদ চাওক)*
- যীচুৱে কি ধৰণে চয়তানৰ প্ৰতিটো পৰীক্ষাৰ প্ৰত্যুত্তৰ দিছিল? *(তেওঁ ধৰ্ম্মশাস্ত্ৰৰ  দ্বাৰাই উত্তৰ দিছিল, ৪,৭ আৰু ১০ পদ)*
- যীচুৱে ধৰ্ম্মশাস্ত্ৰ মুখস্থ কৰিছিলেনে? *(হয় কৰিছিল)*
- আমাৰ জীৱনলৈ অহা পৰীক্ষা আৰু সিদ্ধান্তবিলাকৰ সন্মুখীন হ'বলৈ কেনেধৰণে আমি যুগুত হম? *(আমি যীচুৰ আদৰ্শ অনুসৰণ কৰা উচিত, তেওঁ লঘোন দি আৰু প্ৰাৰ্থনা কৰি সময় কটাইছিল আৰু গোটেই জীৱন ধৰ্ম্মশাস্ত্ৰ ভালকৈ জানিছিল আৰু মানি চলিছিল।)*

চয়তানে যে এতিয়াও মানুহক এই তিনি ধৰণে প্ৰলোভিত কৰে তাক বুজাই দিয়ক।

- চয়তানৰ প্ৰথম পৰীক্ষাটো আছিল শিলগুটিবোৰক পিঠালৈ পৰিবৰ্ত্তন কৰা। চয়তানে আমাক আমাৰ দৈহিক প্ৰয়োজনখিনিৰ বাবে চিন্তা কৰিবলৈ প্ৰলোভিত কৰে। যীচুৱে আমাক আমাৰ দৈহিক প্ৰয়োজনীয়তাৰ বিষয়ে চিন্তা কৰাতকৈ ঈশ্বৰক বিশ্বাস কৰাব আৰু তেওঁক মানি চলাটোহে অতি প্ৰয়োজন বুলি শিকাইছে।
- চয়তানে যীচুক কৰা দ্বিতীয় পৰীক্ষাটো আছিল তেওঁক মন্দিৰৰ ওপৰৰ পৰা জাপ মাৰিব দিয়া। অনেকে তেতিয়া তেওঁৰ অলৌকিক শক্তিক প্ৰশংসা কৰিলেহেঁতেন। চয়তানে আমাক আনকি ভুল কাৰ্য্যৰ যোগেদি হ'লেও মানুহৰ মন আকৰ্ষণ কৰিবলৈ, আমাক ভাল পাবলৈ বা আমাক অনুসৰণ কৰিবলৈ প্ৰলোভন দেখুৱায়। শাস্ত্ৰই ঈশ্বৰকহে আমাৰ জীৱনৰ এজন অতি বিশিষ্ট ব্যক্তি হিচাবে ল'বলৈ আৰু একো বস্তুৰেই তেওঁৰ আৰাধনা কৰাৰ পৰা আমাৰ মন আঁতৰাই নাৰাখিবলৈ কৈছে।
- চয়তানৰ তৃতীয় পৰীক্ষাটো আছিল, গোটেই জগতখনৰ ওপৰত শাসন কৰা। চয়তানে আমাক আমাৰ শক্তি আৰু ক্ষমতা নিজ স্বাৰ্থসিদ্ধিৰ অৰ্থে ব্যৱহাৰ কৰিবলৈ প্ৰলোভন দেখুৱায়। শাস্ত্ৰই আমাক ঈশ্বৰৰ পৰিচৰ্য্যা কৰিবলৈ শিকাইছে, আনে বা ঈশ্বৰে আমাক পৰিচৰ্য্যা কৰাটো বিচাৰিবলৈ চেষ্টা কৰিব কোৱা নাই।

ঈশ্বৰৰ বাক্যৰ উদাহৰণ দি আমি খ্ৰীষ্টিয়ানসকলে যীচুৱে কৰাৰ দৰেই এইবোৰ প্ৰলোভনৰ প্ৰত্যুত্তৰ যে দিব লাগে এই কথাটো বুজাই দিয়ক। যীচুৱে যিদৰে জানিছিল সেইদৰে আমিও বাইবেলখন খুব ভালকৈ জনা উচিত যাতে চয়তানৰ আক্ৰমনক আমি ৰোধ কৰিব পাৰো।

যীচুৱে চয়তানক ৰোধ কৰা কাহিনীটো নাটক কৰি দেখুৱাওক।

- এই নাটকখন দেখুৱাবৰ বাবে মণ্ডলীৰ প্ৰধান উপাসনা চলাওঁতাজনৰ লগত বন্দবস্ত কৰি লওক।
- যুগুত কৰাৰ সময়ত ডাঙৰ ল'ৰা-ছোৱালীবিলাকক সৰুবোৰক সহায় কৰিবলৈ কওঁক।
- ডাঙৰ ল'ৰা-ছোৱালী বা বয়সস্থ যীচু প্ৰলোভনকাৰীসকলক ভাও ল'বলৈ দিয়ক। বৰ্ণনাকাৰীজনে কাহিনীটো চুটিকৈ কৈ দিব। আৰু ল'ৰা-ছোৱালীবিলাকে কি ক'ব লাগে আৰু কৰিব লাগে সেই বিষয়ে মনত পেলাবলৈ সহায় কৰিব।
- সৰু সৰু ল'ৰা-ছোৱালীবিলাকক কাগজৰ মুকুট পিন্ধি ৰজাৰ ভাও ল'বলৈ আৰু কাগজৰ পাখী বনাই বা হাত দুখন পাখীৰ নিচিনা উঠাই ৰাখি দূতৰ ভাও ল'বলৈ দিয়ক।

**বৰ্ণনাকাৰী ঃ** মথি ৪ঃ১-১১ পদৰ পৰা কাহিনীটো কওক। তাৰ পিছত কওক "যীচুৱে কি প্ৰাৰ্থনা কৰিছে শুনক।"

**যীচু ঃ** পিতৃ, মই সুখী যে মই অকলেই চল্লিশ দিন তোমাৰ লগত কথা পাতিবলৈ পাইছিলো। মোৰ অতিশয় ভোক লাগিছিল, কিন্তু তুমি মোৰ বাবে ৰাখি থোৱা কামবোৰৰ বাবে যুগুত হ'বলৈ পোৱাটো তাতোকৈ অতি মূল্যৱান।"

**প্ৰলোভনকাৰী ঃ** "শুনা, ঈশ্বৰৰ পুত্ৰ, তুমি ভোকাতুৰ হোৱাৰ প্ৰয়োজন নাই। ঈশ্বৰে তোমাৰ যত্ন লোৱালৈ তুমি কিয় অপেক্ষা কৰিছা? এই শিলগুটিবোৰ পিঠালৈ পৰিবৰ্ত্তন কৰা!"

**যীচু ঃ** "নহয়। ঈশ্বৰে কৈছে আমি কেৱল পিঠাৰে নিজীওঁ। আমি জীয়াই থাকিবলৈ আমাক ঈশ্বৰৰ বাক্যৰ প্ৰয়োজন আছে।"

**প্ৰলোভনকাৰী ঃ** যীচুক টানি চকী এখনত বহাই দিয়ে। তাৰ পাচত কয়, "এতিয়া, তললৈ চোৱাচোন। তুমি মন্দিৰৰ ওপৰত আছা। নিজকে তুমি তললৈ পেলাই দিয়া আৰু তেওঁ প্ৰতিজ্ঞা কৰাৰ দৰেই তোমাক ৰক্ষা কৰিবলৈ ঈশ্বৰক কোৱা।"

**যীচু ঃ** নাই; মই ঈশ্বৰক সেই কাম কৰিবলৈ জোৰ নকৰোঁ, মই তেওঁৰ সেৱা কৰিম আৰু তেওঁ মোক যি কৰিবলৈ কয় তাকেই কৰিম, কাৰণ বাইবেলে ঈশ্বৰক পৰীক্ষা কৰিবলৈ কোৱা নাই।

**প্ৰলোভনকাৰী ঃ** ৰজাসকললৈ আঙুলিয়াই কয়, "সেই ৰজাসকললৈ চোৱা। এই আটাই কেইজনৰ ওপৰত তুমি শাসন কৰিব পাৰিবা। তুমি কেৱল ঈশ্বৰক পাহৰি যাব লাগিব আৰু মোক সেৱা কৰিব লাগিব। তেতিয়া তুমি এজন অতি শক্তিশালী শাসনকৰ্ত্তা হৈ পৰিবা।"

**ৰজাবিলাক ঃ** প্ৰলোভনকাৰী জনৰ চাৰিওফালে থিয় হৈ মূৰ দোৱাই কয়, "মহাৰজাৰ জয় হওঁক!" আমাক শক্তি দিয়ক।"

**যীচু ঃ** ৰজাসকলে প্ৰস্থান কৰালৈকে অপেক্ষা কৰে, তাৰ পিচত প্ৰলোভনকাৰীজনক ঠেলি আঁতৰাই থয়। কয়, "দূৰ হ চয়তান! শাস্ত্ৰই কেৱল ঈশ্বৰৰহে আৰাধনা কৰিবলৈ কৈছে। মানুহবিলাকে মোক ভাল পাবলৈ আৰু অনুসৰণ কৰিবৰ বাবেহে যে মই কোনো ধৰ্ম্মীয় কাম কৰো, এনে নহয়।"

**প্ৰলোভনকাৰী ঃ** এনেদৰে কৈ আঁতৰি যায়। "মই পুনৰায় আহিম"।

**দূতবিলাক ঃ** যোৱা আৰু তোমাৰ বাহু যীচুৰ চাৰিওকাষে থোৱা। "আপোনাৰ যত্ন ল'বলৈ তোমাৰ পিতৃয়ে আমাক পঠিয়াইছে।"

**প্ৰশ্ন ঃ** যদি ল'ৰা-ছোৱালীবিলাকে নাটকখন বয়সস্থসকলৰ বাবে কৰে, তেন্তে এই অধ্যয়নৰ আৰম্ভণিৰ ওচৰতে থকা তালিকাখনৰ পৰা প্ৰশ্নবোৰ লৈ বয়সস্থসকলক সুধিবলৈ দিয়ক।

**কাম ঃ** বাইবেলত থকা কিতাপবোৰৰ নাম মুখস্থ কৰা, সম্ভৱ হ'লে নামবোৰ গাই গাই ক'ব দিয়ক।

অতি সাধাৰণকৈ এজন মানুহে হাতত চাকি এটি ওখকৈ ধৰি খোজকাঢ়ি গৈ থকা ছবি এখন আঁকক।

- ল'ৰা-ছোৱালীবিলাকক এই ছবিখন আঁকিব দিয়ক আৰু পথৰ কাষৰ বিপদবোৰ (দৈত্যবোৰ, ওখ পৰ্ব্বত, ধুমুহা, জুই) যোগ দিবলৈ দিয়ক।
- উপাসনাৰ সময়ত তেওঁলোকৰ সেই ছবিবোৰ ডাঙৰসকলক দেখুৱাবলৈ দিয়ক আৰু বিপদ আৰু প্ৰলোভনবোৰ থাকিলেও বাইবেলে কেনেকৈ আমাক ঈশ্বৰৰ পথত চলিবলৈ এটি চাকিৰ দৰে চলায় বৰ্ণনা কৰক।

ঈশ্বৰে কেনেকৈ আমাক প্ৰলোভন আৰু বেয়াৰ পৰা ৰক্ষা কৰিবলৈ তেওঁৰ বাক্য আমাৰ পথৰ দ্বীপ্তিস্বৰূপে ব্যৱহাৰ কৰে সেই বিষয়ে আন উদাহৰণবোৰ আলোচনা কৰক। ল'ৰা-ছোৱালীবিলাকক উদাহৰণ দিবলৈ কওক।


- **প্ৰশ্ন সোধক ঃ** বেয়াৰ পৰা আঁতৰি থাকিবলৈ কি শাস্ত্ৰাংশই তোমাক সহায় কৰিছে?

**কবিতা বা গান ঃ** কেইবাগৰাকী ল'ৰা-ছোৱালীক গীতমালা ১১৯ঃ৯৭, ১০৩, ১০৫, ১১১ আৰু ১১২ পদকেইটা আবৃত্তি বা গীত গাবলৈ কওঁক।

**মথি ৪ঃ৪ পদত** যীচুৱে ব্যৱহাৰ কৰা বাক্যবোৰেৰে ডাঙৰ ল'ৰা-ছোৱালীবোৰক এটি কবিতা বা গীত ৰচনা কৰিবলৈ দিয়ক।

একেলগে মুখস্থ কৰক ২তীমথিয় ২ঃ১৫ পদ

**প্ৰাৰ্থনা ঃ** "পিতৃ, তোমাৰ বাক্যবোৰ আমাৰ বাবে অমূল্য সম্পদ। তোমাৰ আত্মাই সেইবোৰ আমাৰ মনত ব্যৱহাৰ কৰক যেন আমি প্ৰলোভন আৰু বেয়াৰ পৰা ৰক্ষা পাব পাৰো।"




Copyright 2003 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net